**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত। ছিংগাপুৰৰ অভিযুক্ত প্ৰবাসী অসমীয়া সকলক এছ আই টিৰ সন্মুখত হাজিৰ হ'বলৈ দিয়া নিৰ্ধাৰিত সময়সীমা আজি সমাপ্ত।

২। বড়োভূমিৰ বিকাশ আৰু উন্নয়নৰ যাত্ৰাত নতুন বিটিচি চৰকাৰক সকলো ধৰণৰ সমৰ্থন আগবঢ়াব বুলি মুখ্যমন্ত্ৰীৰ আশ্বাস।

৩। ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা-অৰ্চনা।

৪। গুৱাহাটীৰ আমিনগাঁৱত আজিৰ পৰা বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ। আজিৰ প্ৰথমখন খেলত ভাৰত আৰু নেপাল মুখামুখি। **আৰু**

৫। কলম্বোত অনুষ্ঠিত মহিলাৰ ক্ৰিকেট বিশ্বকাপৰ এখন খেলত কালি পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ৮৮ ৰানত জয়লাভ।

oooooo

শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত আছে। চি আই ডি আৰু এছ আই টিৰ তদন্তৰ মাজতে ৰাজ্য চৰকাৰে নতুনকৈ গঠন কৰা ন্যায়িক তদন্ত আয়োগেও তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কালি চি আই ডি কাৰ্যালয়ত পৃথকে পৃথকে জুবিন গাৰ্গৰ সহশিল্পী, বাদ্যযন্ত্ৰী, দেহৰক্ষী আৰু চালককে ১২ জন লোকক জেৰা কৰা হয়। তদন্তকাৰী গোটে জুবিন গাৰ্গৰ কেইবাগৰাকী প্ৰাক্তন সতীৰ্থৰো ভাষ্য গ্ৰহণ কৰে। ইয়াৰ মাজতে কেইজনমানক আদালতলৈ নি তেওঁলোকৰ ভাষ্য গ্ৰহণ কৰা হয়।

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত ছিংগাপুৰৰ অভিযুক্ত প্ৰবাসী অসমীয়া সকলক এছ আই টিৰ সন্মুখত হাজিৰ হ'বলৈ দিয়া নিৰ্ধাৰিত সময়সীমা আজি শেষ হ'ব। এইপৰ্যন্ত ছিংগাপুৰৰ পৰা এজনো অভিযুক্ত অসমত হাজিৰ নোহোৱা বিষয়টোৱে সমগ্ৰ তদন্ত প্ৰক্ৰিয়া জটিলতাৰ মাজলৈ লৈ যোৱাৰ আশংকা কৰা হৈছে।

oooooo

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কালি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে। ৰাজ্যৰ মুখ্যসচিব ৰবি কোটাৰ অনুমোদন মৰ্মে বিটিচিৰ সচিব অমৰেন্দ্ৰ ডেকাই তেওঁক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। শ্ৰীমহিলাৰীয়ে ইংৰাজী ভাষাত শপতগ্ৰহণ কৰে।

কোকৰাঝাৰৰ বড়োফা নগৰৰ বিটিচি সচিবালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত কালি ৰিহন দৈমাৰীকে ধৰি ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰে। শ্ৰীমহিলাৰীয়ে শপতগ্ৰহণৰ পাছত অনুষ্ঠানত ভাষণ দি বড়োলেণ্ডৰ সৰ্বাংগীণ বিকাশ আৰু জনসাধাৰণৰ কল্যাণৰ বাবে তেওঁ সদায় কাম কৰি যাব বুলি উল্লেখ কৰে।

অনুষ্ঠানত অংশলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিপিএফৰ মুৰব্বীগৰাকীক পুনৰ বিটিচিৰ ক্ষমতা দখলৰ বাবে অভিনন্দন জনায়। ড০ শৰ্মাই গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি বড়ো জনজাতিৰ সামাজিক, অৰ্থনৈতি উত্থানত তেওঁলোকৰ ভূমিকাৰ কথা উল্লেখ কৰে। তেওঁ গণতান্ত্ৰিক

প্ৰক্ৰিয়াৰে বিটিচিৰ নতুন পাৰিষদ গঠন তথা হাগ্ৰামা মহিলাৰীৰ বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপতগ্ৰহণক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে বড়োভূমিৰ বিকাশ আৰু উন্নয়নৰ যাত্ৰাত নতুন বিটিচি চৰকাৰক সকলো ধৰণৰ সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়ে।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

০০০০০০

ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা কৰা হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

**ধুবুৰী জিলাৰ** ভিন্ন স্থানৰ দেৱালয়, মন্দিৰ আৰু ৰাজহুৱা পূজা মণ্ডপত লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। জিলাখনৰ বিলাসীপাৰাৰ ৰোকাখাটা সাৰ্বজনীন দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজা অনুষ্ঠিত কৰা হৈছে। লক্ষ্মী পূজা উপলক্ষে জিলাখনত কেইবাখনো মেলাও অনুষ্ঠিত হৈছে।

**গোৱালপাৰা জিলা**তো আজি ধন আৰু ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী লক্ষ্মী দেৱীক পূজা-অৰ্চনা কৰিবলৈ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। জিলাখনৰ বৰদামাতল-বৰজুৰি লক্ষ্মী মন্দিৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে লক্ষ্মী পূজা অনুষ্ঠিত হৈছে। **কাছাৰ জিলাৰ** বিভিন্ন স্থানৰ লগতে শিলচৰতো লক্ষ্মী দেৱীক পূজা-অৰ্চনা কৰিবলৈ ব্যাপক আয়োজন কৰা হৈছে।

**বাক্সা জিলাৰ** কেইবাটাও স্থানত ৰাজহুৱাভাৱে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। জিলাখনত অঞ্চলি আঞ্চলিক শ্ৰীশ্ৰী লক্ষ্মীপূজা উদযাপন সমিতিয়ে এইবাৰ তিনি দিনীয়া কাৰ্যসূচীৰে ৩৯ সংখ্যক লক্ষ্মী পূজাৰ আয়োজন কৰিছে। একেদৰে ভুলুকামুৰী আঞ্চলিক  লক্ষ্মী পূজা সমিতিৰ উদ্যোগত চাৰি দিনীয়া কাৰ্যসূচীৰে ২৯ সংখ্যক লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। জিলাখনৰ জালাহ, বড়োবজাৰ, শালবাৰী, শিমলা, ৰূপহী আদি অঞ্চলতো বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজা অনুষ্ঠিত কৰা হৈছে।

**বজালী** জিলাৰ ভোটান্ত সাদেৰীত আজিৰে পৰা ১৪ অক্টোবৰলৈ ৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮০ সংখ্যক লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ভোটান্ত সাদেৰী শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ খেলপথাৰ আৰু শ্বহীদ ৰাউটা মদন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

**চিৰাং** জিলাৰ বিজনীৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলা মহোৎসৱ আজিৰে পৰা ১৪ দিনীয়া কাৰ্যসূচীৰে ৰজা বিজিত নাৰায়ণ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। জিলাখনত অনুষ্ঠিত লক্ষ্মী পূজা সন্দৰ্ভত আমাৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে এনেদৰে কয়-

**(ভইচ ঃ কুঞ্জমোহন ৰায়)**

শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে পূজা কমিটীয়ে ৭ অক্টোবৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। আজি পুৱা পূজা কমিটীৰ সভাপতি ধনঞ্জয় ৰায়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ লগতে সন্ধিয়ালৈ মেলা মহোৎসৱখনিৰ শুভাৰম্ভ কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২২ ছেপ্তেম্বৰত ঘোষণা কৰা জি এছ টি সঞ্চয় উৎসৱে সমাজৰ সকলো শ্ৰেণীৰ লোকক উপকৃত কৰিছে। নতুন জি এছ টিৰ সংস্কাৰে অসমৰ বিভিন্ন খণ্ডক কিদৰে সকাহ দিছে সেই সন্দৰ্ভত এয়া আমাৰ বিশেষ প্ৰতিবেদন—

**(নতুন জি এছ টিৰ সংস্কাৰে অসমৰ বয়ন শিল্পী, কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলক বৃহৎ সকাহ দিছে। সংশোধিত ৰেহাইৰ জৰিয়তে ৰাজ্যখনৰ কেতবোৰ আঞ্চলিক আৰু পাৰম্পৰিক সামগ্ৰীৰ কৰ হ্ৰাস হৈছে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে বিশেষকৈ অসমৰ চাহ উদ্যোগক উপকৃত কৰিছে। এই খণ্ডত কেৱল ৫ শতাংশ জি**

**এছ টি আৰোপ কৰা হৈছে। একেদৰে ১২ লাখৰো অধিক বয়ন শিল্পী জড়িত হৈ থকা অসমৰ হস্তশিল্প আৰু কাৰিকৰ খণ্ডত জি এছ টিৰ বোজা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। তদুপৰি বোকা চাউল আৰু তেজপুৰৰ লিচুৰ দৰে কৃষিজাত সামগ্ৰীত জি এছ টি হ্ৰাস কৰা হৈছে। পৰ্যটন খণ্ডত জি এছ টি সংস্কাৰ অৰ্থাৎ প্ৰতিনিশা ৭ হাজাৰ ৫০০ টকাৰ হোটেলৰ কোঠাৰ নিৰিখত জি এছ টি ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত অসমত পৰ্যটকৰ সংখ্যা বৃদ্ধি হোৱাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।)**

০০০০০০

তিনিচুকীয়া জিলাৰ মাকুম আৰক্ষীয়ে বহিঃৰাজ্যলৈ চক্ৰান্তৰে নিয়া তিনিগৰাকী কিশোৰী আৰু এজন কিশোৰক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জিলাখনৰ খোৱাং চাহ বাগিচাৰ দুগৰাকী কিশোৰী আৰু কাকপথাৰ তেজিৰ এগৰাকী কিশোৰী আৰু কিশোৰক অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ লৈ গৈ থকা অৱস্থাত উদ্ধাৰ কৰে। মানৱ সৰবৰাহকাৰী চক্ৰই প্ৰলোভনেৰে কিশোৰ-কিশোৰীকেইটাক এখন বাছত অৰুণাচললৈ লৈ গৈ আছিল। মাকুম আৰক্ষী, যানবাহন আৰক্ষীয়ে বাছখনৰ পৰা আটাইকে উদ্ধাৰ কৰে আৰু মুঠ তিনিগৰাকী মহিলাক ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আটক কৰি সোধাপোছা অব্যাহত ৰাখিছে।

০০০০০০

গুৱাহাটীৰ আমিনগাঁৱত আজিৰ পৰা বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। ১৭ বছৰৰ পাছত দেশত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত চীন, জাপান, ছিংগাপুৰ, ফিলিপিন্স, ইণ্ডোনেছিয়া, মালয়েছিয়া, ফ্ৰান্স, নেডাৰলেণ্ডছ, অষ্ট্ৰেলিয়া, কানাডা আৰু ডেনমাৰ্কক ধৰি ৪৩ খন দেশৰ ৪৫২ গৰাকী খেলুৱৈয়ে অংশ ল'ব। প্ৰতিযোগিতাৰ বাবে ইতিমধ্যে ৯ খন বেডমিণ্টন ক'ৰ্ট সাজু কৰি তোলা হৈছে। ভাৰত আজি প্ৰতিযোগিতাৰ প্ৰথমখন খেলত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অহা ১৯ অক্টোবৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০

কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ এখন খেলত কালি ভাৰতে পাকিস্তানক ৮৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৪৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ৩৩ অভাৰতে আটাইকেইটা হেৰুৱাই কেৱল ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ হৰলীন দেউলে সৰ্বাধিক ৪৬ আৰু ৰিছা ঘোষে ৩৫ ৰান কৰে। পাকিস্তানৰ ডায়েনা বেগে ৪টা উইকেট দখল কৰে। ইপিনে পাকিস্তানৰ ছিদ্ৰা আমিনে ৮১ আৰু নাটালিয়া পাৰভেজে ৩৩ ৰানৰ বৰঙণি আগবঢ়াই যদিও দলটোৰ আন আন খেলুৱৈসকল উন্নত প্ৰদৰ্শন কৰাত ব্যৰ্থ হয়। ভাৰতৰ হৈ ক্ৰান্তি গৌৰ আৰু দিপ্তী শৰ্মাই ৩টাকৈ উইকেট দখল কৰাৰ বিপৰীতে স্নেহ ৰাণাই দুটা উইকেট লাভ কৰে। ভাৰত অহা বৃহস্পতিবাৰে বিশাখাপট্টনমত হ'বলগীয়া আন এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহে কেইবাটাও বাতৰি বিভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে। হিমালয় অঞ্চলত প্ৰবল বৰষুণ হোৱাৰ ফলত দেশৰ বিভিন্ন অঞ্চলত বানে সংহাৰ ৰূপ ধাৰণ কৰাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে। উত্তৰ বংগত সৃষ্টি হোৱা জলপ্ৰলয়ত ১৮ জন লোকৰ মৃত্যু হয়।

অসমৰ ৰাইজৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্তই ছিংগাপুৰৰ প্ৰবাসী অসমীয়া বিধি পথালি দিছে। এই বাতৰি দৈনিক অসম কাকতৰ।

জনজাতিকৰণৰ প্ৰসংগক লৈ কংগ্ৰেছ-বিজেপিক আটাছুৱে সমালোচনা কৰা এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

চতুৰ্থবাৰলৈ বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য ৰূপে কালি হাগ্ৰামা মহিলাৰীয়ে শপত গ্ৰহণ কৰে। এই বাতৰি আমাৰ অসম কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

ক্ৰমাৎ ৰহস্যঘন হৈ পৰিছে জুবিন গাৰ্গৰ মৃত্যু। ছিংগাপুৰলৈ গৈ অসম আৰক্ষীয়ে কাকো ধৰিব নোৱাৰে বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰে দৈনিক অগ্ৰদূত কাকতে বাতৰি প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত চলাই থকা এছ আই টিয়ে কালি শিল্পীগৰাকীৰ সৈতে সম্পৰ্ক থকা অভিনেত্ৰী, চালক আৰু দেহৰক্ষীক জেৰা কৰা এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতেও জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত সহযোগ আগবঢ়াবলৈ প্ৰবাসী অসমীয়াৰ অসমীয়া অহা-নহা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে। নেৰা-নেপেৰা বৰষুণৰ ফলত হোৱা ভূমি স্খলনত দাৰ্জিলিঙত কুৰি গৰাকী লোকৰ মৃত্যু সন্দৰ্ভত দি আছাম ট্ৰিবিউন কাকতে বাতৰি প্ৰকাশ কৰিছে।

হাগ্ৰামা মহিলাৰী পুনৰ বিটিচিৰ মুখ্য কাৰ্যবাহীৰূপে শপত লোৱাৰ বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থাকিব। এই সময়ছোৱাত ঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগেৰে অহা বতাহৰ সৈতে বিজুলী-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত